**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-MAR-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***
——————————————

০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে  ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি  শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নলবাৰী জিলাৰ চামতাত দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।  প্ৰচাৰৰ বাবে ৰাজ্যখনলৈ অহা শ্ৰীশ্বাহে কালি গুৱাহাটীত এটা ৰোড শ্ব’ত অংশগ্ৰহণ কৰি গুৱাহাটীৰ চাৰিওটা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি  মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখৰ ৩ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। আজি ডিব্ৰুগড় তেওঁ প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

একেদৰে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আজি বিৰোধী প্ৰাৰ্থীৰ হৈ প্ৰচাৰৰ বাবে অসমলৈ আহিব। তেওঁ নাওবৈচা আৰু খাৰকাতিত প্ৰচাৰ চলাব। আজি গুৱাহাটীৰ ৰাজ্যিৰ বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত বিজেপিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ’ব। এই বৈঠকত দলৰ ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষে অধ্যক্ষতা কৰিব। তেওঁ পলাশবাৰী, নগাঁও আৰু যোৰহাটকে ধৰি কেইবাখনো জিলাৰ বিভিন্ন স্থানত সাংগঠনিক সভাত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ ডিব্ৰুগড়ত সাংগঠনিক সভাত উপস্থিত থাকিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি বঙাইগাঁৱত মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

ইফালে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বিজনী আৰু তামুলপুৰত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিজয় সংকল্প সভাত ভাগ লয়।

কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে তিতাবৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশ লয়।

অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ লগতে অন্যান্য স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০০০

সমাগত অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ পৰিপ্ৰেক্ষিতত যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানীয়ে কালি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয় পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত তেওঁ বিদ্যালয়খনত স্থাপন কৰা যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত টীয়ক বিধানসভা সমষ্টিৰ ষ্ট্ৰংৰুম পৰীক্ষা কৰাৰ লগতে নিৰ্বাচনী প্ৰস্তুতিৰ অগ্ৰগতিৰ বুজ লয়। ইয়াৰ উপৰি জিলা আয়ুক্তগৰাকীয়ে ভোট গণনা কেন্দ্ৰটো পৰিদৰ্শন কৰি ইয়াৰ ভোট গণনাৰ বাবে কৰা ব্যৱস্থা, পৰিকাঠামো আৰু নিৰাপত্তা ব্যৱস্থাসমূহৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰে। জিলা আয়ুক্তগৰাকীৰ এই ভ্ৰমণকালত ৰিটাৰ্নিং বিষয়া, নিৰ্বাচনী বিষয়া আদিৰ লগতে ভালেসংখ্যক লোকে সহযোগিতা আগবঢ়ায়। নিৰ্বাচনৰ পূৰ্বে যাৱতীয় সকলো ব্যৱস্থা সঠিকভাৱে সম্পন্ন কৰিবলৈ তেওঁ সংশ্লিষ্ট বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০

বিশিষ্ট কবি নৰকান্ত বৰুৱাৰ কবিতাৰ সংকলন **হে অৰণ্য হে মহানগৰৰ** প্ৰকাশৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে কালি সন্ধিয়া বক্তৃতা আৰু কবিতা পাঠৰ এটা অনুষ্ঠান আয়োজন কৰা হয়। অনলাইন মাধ্যমেৰে অনুষ্ঠিত এই অনুষ্ঠান ডিব্ৰুগড়ৰ কবিতা অধ্যয়ন গোট আৰু POETRY WITHOUT FEAR-এ আয়োজন কৰে। অনুষ্ঠানত সমালোচক তথা সাংবাদিক মুনীন বায়নে **আধুনিকতাবাদী নৰকান্ত ঃ হে অৰণ্য হে মহানগৰ** শীৰ্ষক বক্তৃতা দিয়ে। এই বক্তৃতাত শ্ৰীবায়নে নৰকান্ত বৰুৱাৰ কাব্য সংকলনটোক আধুনিক অসমীয়া কবিতাৰ ইতিহাসত উল্লেখনীয় সংকলন বুলি অভিহিত কৰে। তেওঁ নৰকান্ত বৰুৱাৰ কবিতাৰ আধুনিকতাৰ পটভূমি আৰু বৈশিষ্ট্যৰ বিষয়ে বিশ্লেষণ দাঙি ধৰে। মূল বক্তৃতাৰ আৰম্ভণিতে নৰকান্ত বৰুৱাৰ জীয়ৰী উপলা বৰুৱাই তেওঁৰ পিতৃৰ ব্যক্তিত্ব আৰু কবিতা সন্দৰ্ভত আলোকপাত কৰে। কবি, সমালোচক প্ৰকল্পৰঞ্জন ভাগৱতীয়ে আঁত ধৰা এই অনুষ্ঠানত ৰাজীৱ বৰুৱা, প্ৰণয় ফুকন, দেৱেন চাপকোটা, কুশল দত্ত, মৃদুল কুমাৰ গগৈ, ৰাচনা হিলৈদাৰী, নীলম গগৈ আদিকে ধৰি ভালেসংখ্যক কবিয়ে অংশগ্ৰহণ কৰে। বিশিষ্ট কবি এম কালামুদ্দিন আহমেদেও নৰকান্ত বৰুৱাৰ এই সংকলনটিৰ বিষয়ে মননশীল বক্তব্য দিয়ে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

**সমাপ্ত**